**REGIONAL NEWS UNIT**

AKASHVANI, GUWAHATI

0000000000

**Date :** 06-08-2025

**Time :** 17-15 Hrs

***Assamese EVENING Bulletin***

::::::::::::::::::::::::::::::::

বাল্য বিবাহৰ দৰে সামাজিক ব্যাধি নিৰ্মূল কৰাৰ লক্ষ্যৰে ৰাজ্যজুৰি আজি মুখ্যমন্ত্ৰীৰ নিযুত মইনা আঁচনিৰ দ্বিতীয় সংস্কৰণ মুকলি কৰা হয়। গুৱাহাটী বিশ্ববিদ্যালয়ত অনুষ্ঠিত কেন্দ্ৰীয় উদ্বোধনী অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আবেদনপত্ৰ বিতৰণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয়, যে বাল্য বিবাহৰ বিৰুদ্ধে চলি থকা অভিযানৰ অংশ হিচাপে নিযুত মইনা আঁচনিৰ দ্বিতীয় সংস্কৰণ মুকলি কৰা হৈছে। ২০২৬ চনৰ ভিতৰত ৰাজ্যত বাল্য বিবাহ সম্পূৰ্ণৰূপে নিৰ্মূল কৰিবলৈ চৰকাৰ দৃঢ় সংকল্পবদ্ধ বুলিও তেওঁ মন্তব্য কৰে। এইবাৰ এই আঁচনিত ৰাজ্যৰ ৪ লাখৰো অধিক ছাত্ৰীক সামৰি ল'ব বুলিও তেওঁ প্ৰকাশ কৰে। আজিৰ এই কেন্দ্ৰীয় কাৰ্যসূচীত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড০ ননীগোপাল মহন্ত উপস্থিত থাকে।

আনহাতে ৰাজ্যৰ আন আন প্ৰান্তত মন্ত্ৰী, বিধায়কে এই কাৰ্যসূচীৰ উদ্বোধন কৰে। ডিব্ৰুগড়ত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল , গোলাঘাট জিলাৰ বোকাখাতত মন্ত্ৰী অতুল বৰা, মৰিগাঁও জিলাৰ জাগীৰোডত মন্ত্ৰী পীযূষ হাজৰিকা , বাক্সাত মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্ম, বিশ্বনাথত বিধায়ক প্ৰমোদ বৰঠাকুৰ নিযুত মইনা আঁচনিৰ দ্বিতীয় সংস্কৰণৰ প্ৰ-পত্ৰ বিতৰণৰ কাৰ্যসূচীত উপস্থিত থাকে। উল্লেখযোগ্য যে মাধ্যমিক শিক্ষাৰ বাবে ৭, ৮ আৰু ৯ আগষ্টত প্ৰ-পত্ৰ বিতৰণ কৰা হ'ব। এই আঁচনিৰ অধীনত উচ্চতৰ মাধ্যমিকৰ ছাত্ৰীয়ে মাহিলী এহেজাৰ টকা, স্নাতক আৰু সংহত শিক্ষক শিক্ষা কাৰ্যসূচীৰ পাঠ্যক্ৰমত অধ্যয়নৰত ছাত্ৰীয়ে মাহিলী এহেজাৰ ২৫০ টকা আৰু স্নাতকোত্তৰ আৰু বিএডৰ ছাত্ৰীয়ে মাহিলী দুহেজাৰ ৫০০ টকাকৈ লাভ কৰিব। ছাত্ৰীসকলে বন্ধৰ সময়ছোৱা বাদ দি সৰ্বাধিক ১০ মাহৰ বাবে এই সুবিধা লাভ কৰিব। এই আঁচনিৰ অধীনত ২০২৪-২৫ বৰ্ষত এক লাখ ৬০ হাজাৰ ছাত্ৰীক ১৩৩ কোটি টকা বিতৰণ কৰা হৈছিল। উচ্চ শিক্ষাত

ছাত্ৰীৰ নামভৰ্তি বৃদ্ধি, বাল্যবিবাহ তথা কৈশোৰকালীন মাতৃত্ব প্ৰতিৰোধ , শিশুৰ শিক্ষা,স্বাস্থ্য আৰু সুৰক্ষাৰ অধিকাৰ নিশ্চিতকৰণৰ লক্ষ্যৰে ৰাজ্য চৰকাৰে এই অভিলাষী আঁচনি গ্ৰহণ কৰিছে।

0000

কোনো লোকে যদি অসমীয়া জাতিক নিঃশেষ কৰিবলৈ চেষ্টা কৰে, তেন্তে তেনে লোকক আইনৰ গণ্ডীৰে ৰোধ কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি গুৱাহাটীত সকীয়াই দিয়ে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয়, যে কোনোৱে যদি জাতিটোৰ বৰঘৰত সোমায়, তেতিয়া মানুহে মাত মাতিবই। কোনোৱে যদি মাত নিদিয়ে, সেই জাতিক কোনে উদ্ধাৰ কৰিব বুলিও তেওঁ প্ৰশ্ন কৰে। সেয়ে আইন হাতত নোলোৱাকৈ মাত মাতি যাবলৈ মুখ্যমন্ত্ৰীগৰাকীয়ে খিলঞ্জীয়া লোকসকলক আহ্বান জনায়।

0000

আজি ৬ আগষ্ট। আজিৰ পৰা ৮০ বছৰ পূৰ্বে আজিৰ তাৰিখত আমেৰিকা যুক্তৰাষ্ট্ৰই জাপানৰ হিৰোশ্বিমা চহৰত পাৰমানৱিক বোমা বিস্ফোৰণ ঘটোৱাৰ ফলত মুহুৰ্ততে প্ৰায ৭৮ হাজাৰ লোকৰ মৃত্যু ঘটিছিল আৰু পৰৱৰ্তী পৰ্যায়ত কেইবালাখো লোকৰ মৃত্যু হোৱাৰ লগতে বৃহত সংখ্যক লোক ঘুণীয়া হৈছিল। ইয়াৰ তিনিদিন পাছত জাপানৰ নাগাচাকি চহৰতো আমেৰিকাই দ্বিতীয়টো পাৰমানৱিক বোমাৰ বিস্ফোৰণ ঘটাইছিল। ইয়াতো কেইবা হাজাৰো লোকৰ প্ৰাণ হানি হৈছিল। মানৱ জাতিক স্তম্ভিত কৰা এই পাৰমানৱিক বোমাৰ ভয়াবহতাৰ পৰা ভৱিষ্যতে মানৱ জাতিক ৰক্ষা কৰাৰ বাবে বিশ্বজুৰি আজিৰ দিনটো হিৰোশ্বিমা দিৱস হিচাপে  পালন কৰা হয়। এই উপলক্ষে আজি পুৱা হিৰোশ্বিমা চহৰত আয়োজিত অনুষ্ঠানত হিৰোশ্বিমাৰ মেয়ৰ গৰাকীয়ে বিশ্বৰ বিভিন্ন শক্তিধৰ ৰাষ্ট্ৰৰ হাতত জমা থকা হিৰোশ্বিমা আৰু নাগাচাকিতকৈও বহু গুণে শক্তিশালী পাৰমানৱিক বোমাৰ ভয়াবহতাৰ কথা উল্লেখ কৰে আৰু সম্পূৰ্ণ পাৰমানৱিক নিৰস্ত্ৰীকৰণৰ বাবে আহ্বান জনায়।

0000

গুৱাহাটী মহানগৰ আৰক্ষীৰ উদ্যোগত আজি আমচাঙত বাল্য বিবাহ প্ৰতিৰোধ, পকছ' আইন, শিশু আৰু কিশোৰ অপৰাধ আইন বিষয়ক মত বিনিময় কাৰ্যসূচী অনুষ্ঠিত হয়। আমচাং চাহ বাগিচা আদৰ্শ হাইস্কুল কৰ্তৃপক্ষৰ সহযোগত অনুষ্ঠিত এই কাৰ্যসূচীত কমেও ৮০ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। পাণবজাৰ মহিলা থানাৰ ভাৰপ্ৰাপ্ত বিষয়া বিজয়া দাসে এই অনুষ্ঠানত বাল্য বিবাহৰ ক্ষতিকাৰক দিশ আৰু পকছ' আইন, শিশু আৰু কিশোৰ অপৰাধ আইন, শিশু শ্ৰমিক সন্দৰ্ভত আলোকপাত কৰে। এই মত বিনিময় অনুষ্ঠানত ছাত্ৰ-ছাত্ৰীসকলক বিত্তীয় প্ৰতাৰণাৰ অভিযোগ দাখিল কৰাৰ বাবে হেল্পলাইন নম্বৰ ১৯৩০, জৰুৰী সহায়ৰ বাবে ১১২, শিশু শ্ৰমিক নাইবা শিশু সংক্ৰান্তীয় বিষয়ত ১০৯৮ আৰু মহিলা সংক্ৰান্তীয় বিষয়ত ১৮১ নম্বৰত যোগাযোগ কৰিবলৈ পৰামৰ্শ আগবঢ়োৱা হয়।

0000

মহানগৰীৰ জয়ানগৰত অসামজিক কামত লিপ্ত হোৱাৰ অভিযোগত বশিষ্ঠ আৰক্ষীয়ে যুৱতীসহ চাৰিগৰাকী লোকক গ্ৰেপ্তাৰ কৰে। গ্ৰেপ্তাৰৰ পাছতে যাৱতীয় স্বাস্থ্য পৰীক্ষা কৰাৰ অন্তত অভিযুক্তসকলক কামৰূপ মহানগৰ জিলাৰ মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতত হাজিৰ কৰোৱা হৈছে।

0000

সমাপ্ত